# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 09-01-2026
**Time :** 18-45 Hrs.

***Assamese Evening Bulletin***

১।	অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত উত্তীৰ্ণ ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ বিতৰণ।

২।	গোৰেশ্বৰৰ সুৰাগপুৰৰ শুক্লাই চেণ্ট্ৰেল খেলপথাৰত আজি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ।

৩।	চিৰাং জিলাৰ বিজনীৰ থেংফাখ্ৰী ফৌথাৰত আজিৰে পৰা তিনিদিনীয়াকৈ বড়ো সাহিত্য সভা ৬৫ সংখ্যক কেন্দ্ৰীয় অধিৱেশন।

৪।	অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুক আদৰাৰ বাবে ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি। ঠায়ে ঠায়ে ভোগালী মেলাৰো আয়োজন।

*আৰু*

৫।	মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ চতুৰ্থ সংস্কৰণ কিছু সময়ৰ পাছতে আৰম্ভ হ'ব।

০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা, এ ডি আৰ ইত উত্তীৰ্ণ ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীৰ মাজত আজি নিযুক্তি পত্ৰ বিতৰণ কৰা হয়। গুৱাহাটীৰ খানাপাৰাৰ নৱনিৰ্মিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিব এম এছ্ মণিৱন্নন, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, ৰঞ্জিত কুমাৰ দাসকে ধৰি কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকে।

-বাইট (মুখ্যমন্ত্ৰী)-

এ ডি আৰ ইত উত্তীৰ্ণ ৬ হাজাৰ ৩৪৭ গৰাকী তৃতীয় বৰ্গৰ প্ৰাৰ্থীক কাইলৈ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত  নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে ১২ জানুৱাৰীত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই নিযুক্তি সম্পন্ন হ'লে নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ৫৬ হাজাৰ ৬৭৭লৈ বৃদ্ধি পাব।

০০০০

তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ সুৰাগপুৰ শুক্লাই চেণ্ট্ৰেল খেলপথাৰত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আঁচনিৰ অধীনত আত্ম-সহায়ক গোটৰ মহিলাসকলক চেক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চেক বিতৰণ কাৰ্য্যসূচীত উপস্থিত থাকি গোৰেশ্বৰ বিধানসভা সমষ্টিৰ আত্ম-সহায়ক গোটৰ ৩৩ হাজাৰ ৮১৬ গৰাকী মহিলাক মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰে। এই কাৰ্য্যসূচীত অসম বিধানসভা অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বি টি চিৰ মুখ্য কাৰ্য্যবাহী হাগ্ৰামা মহিলাৰী, বি টি চিৰ উপাধ্যক্ষ বিশ্বজিৎ গৌড়া নাৰ্জাৰীৰ লগতে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাও উপস্থিত থাকে।

-বাইট-

০০০০০

চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী ফৌথাৰত আজিৰে পৰা তিনিদিনীয়াকৈ বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় অধিৱেশন অনুষ্ঠিত হৈছে। বিটিচিৰ কাৰ্যবাহী সদস্য তথা অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী

সভাপতি ধীৰাজ বৰগয়াৰীয়ে ড° মনেশ্বৰ ব্ৰহ্ম সোঁৱৰণী মুখ্য প্ৰৱেশদ্বাৰ মুকলি কৰে। ইয়াৰ পাছতে পদ্মলোচন বড়ো সোঁৱৰণী মুখ্য তোৰণ, প্ৰতিনিধি শিবিৰ আৰু স্বেচ্ছাসেৱক শিবিৰসমূহ মুকলি কৰা হয়। দিনৰ চাৰে ১১ বজাত 'সপোনৰ পৰা গন্তব্য স্থানলৈ, প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতাৰ কৌশল' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হয়। বিয়লি ৩ বজাত কবি সন্মিলন আৰু চাৰে ৪ বজাত 'বড়োসকলৰ সমসাময়িক আৰ্থ-সামাজিক জীৱন অন্বেষণ' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হয়। সন্ধিয়া ৬ বজাৰ পৰা প্ৰথম প্ৰতিনিধি সভা আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হৈছে। কাইলৈ স্মৃতিগ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হ'ব। পৰহিলৈ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা। এই সন্দৰ্ভত আমাক সবিশেষ জনাইছে আমাৰ চিৰাঙৰ সংবাদদাতা কুঞ্জ মোহন ৰায়ে -

-ভইচকাষ্ট-

০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ত আজি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ পৰিকাঠামোৰ অন্তৰ্গত ৫ বছৰীয়া সংহত স্নাতকোত্তৰ আৰু ৪ বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশত আলোকপাত কৰাৰ উদ্দেশ্যে এখন গুৰুত্বপূৰ্ণ শৈক্ষিক বৈঠক অনুষ্ঠিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিভিন্ন শাখা আৰু বিভাগৰ ডীন, অধ্যাপক-অধ্যাপিকা আৰু বিশ্ববিদ্যালয়খনৰ অধীনৰ মহাবিদ্যালয়সমূহৰ অধ্যক্ষই এই শৈক্ষিক বৈঠকত উপস্থিত থাকে। বৈঠকত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ডাঃ ৰণোজ পেগুৱে কয়, যে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ কেৱল এক নীতি নহয়, এই নীতি ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এক ঐতিহাসিক পদক্ষেপ। এই নীতিয়ে শিক্ষাক অধিক ছাত্ৰকেন্দ্ৰিক, বহুমুখী, নমনীয় আৰু দক্ষতাভিত্তিক কৰি তুলিবৰ বাবে সুস্পষ্ট দিশ প্ৰদান কৰিছে। ৫ বছৰীয়া সংহত স্নাতকোত্তৰ আৰু চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ জৰিয়তে শিক্ষাৰ্থীসকলে গৱেষণা, উদ্ভাৱন আৰু উচ্চ দক্ষতা অৰ্জনৰ সুযোগ লাভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন অংশত অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুক আদৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলি আছে। ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলাৰো আয়োজন কৰা হৈছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়ণৰ বাবে পিঠা-পনা প্ৰস্তুতৰ আয়োজন কৰিছে।

ডিব্ৰুগড় জিলাৰ ৰহমুৰীয়া অঞ্চলৰ বৰতিচুক গাঁৱত পূৰ্বৰ পৰম্পৰা অনুসৰি মাঘ বিহু উদযাপনৰ আয়োজন কৰা হৈছে।

জিলাখনৰ নাহৰকটিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত কেন্দুগুৰি গাওঁ পঞ্চায়তৰ আত্মসহায়ক গোটসমূহৰ সহযোগত আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে অসমী ভোগালী মেলা ২০২৬ অনুষ্ঠিত হৈছে। বিধায়ক তৰংগ গগৈয়ে এই মেলাৰ শুভাৰম্ভ কৰে।

ভোগালী বিহুৰ প্ৰাকক্ষণত মাজুলীত অসমী ভোগালী মেলা ২০২৬ আজিৰে পৰা অনুষ্ঠিত হৈছে। টুনী নদীৰ পাৰত অনুষ্ঠিত এই মেলা অহা ১১ জানুৱাৰীত সামৰণি পৰিব।

দক্ষিণ শালমাৰা জিলাৰ হাটশিঙিমাৰিতো আজি অনুষ্ঠিত ভোগালী মেলা জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই শুভাৰম্ভ কৰে। এই মেলাত জিলাখনৰ মুঠ ৪০ টা আত্মসহায়ক গোটৰ সদস্যসকলে অংশগ্ৰহণ কৰে। অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ উদ্যোগত অনুষ্ঠিত এই ৩ দিনীয়া মেলাত আত্মসহায়ক গোটসমূহৰ সদস্যাসকলে প্ৰস্তুত কৰা বিভিন্ন খাদ্য সামগ্ৰী আৰু বস্ত্ৰ উপলব্ধ হৈছে।

হোজাইৰ কাকিতো আজিৰে পৰা ৩ দিনীয়া ভোগালী মেলা অনুষ্ঠিত হৈছে। লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰই মেলাৰ উদ্বোধন কৰে।

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ চিৰাং জিলা গোটৰ উদ্যোগত আৰু গ্ৰামোন্নয়ন বিভাগৰ সহযোগত কাজলগাঁৱত কালি সন্ধিয়াৰে পৰা তিনি দিনীয়াকৈ অসমী ভোগালী মেলা অনুষ্ঠিত হয়। বিটিচিৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্মই উদ্বোধন কৰা এই ভোগালী মেলাত চিডলী-চিৰাং আৰু বড়ো বজাৰ খণ্ড উন্নয়ন এলেকাৰ ৩১টা আত্মসহায়ক গোটে প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইতো ভোগালী বিহুক আদৰাৰ প্ৰস্তুতি পৰিলক্ষিত হৈছে। ভোগালী বিহুৰ উৰুকাৰ দিনা বিভিন্ন থলুৱা খেল-ধেমালি প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে বুলি আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনাইছে। জিলাখনৰ ভালুকডুবি শালবাৰী প্ৰাথমিক খেলপথাৰতো আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ভোগালী মেলা ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই উদ্বোধন কৰে। এই মেলাত গোৱালপাৰা জিলাৰ অন্তৰ্গত আত্মসহায়ক গোটৰ মহিলাসকলে অংশগ্ৰহণ কৰিছে।

মৰিগাওঁ জিলাৰ মৰিগাওঁ সদৰ বিহুতলীত আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে। জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে এই মেলা উদ্বোধন কৰে। মেলা উদ্বোধন কৰি দিয়া ভাষণত জিলা আয়ুক্তগৰাকীয়ে মহিলাসকলে নিজে উৎপাদন কৰা সামগ্ৰী সমূহক লৈ সন্তুষ্টি প্ৰকাশ কৰে। এই সামগ্ৰীসমূহত অধিক নতুনত্ব আৰোপ কৰিলে প্ৰতিযোগিতামূলক বজাৰত মহিলাসকল শক্তিশালীভাৱে থিয় দিব পাৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

০০০০০

ধুবুৰী বন বিভাগে চোৰাং কাঠ সৰবৰাহৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী অঞ্চলত বন বিভাগে অভিযান চলাই চোৰাং কাঠ সৰবৰাহৰ বিৰুদ্ধে সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। জিলাখনৰ বন বিভাগে ২০২৫ বিত্তীয় বৰ্ষত অবৈধ বনজ সম্পদ সুৰক্ষা আৰু চোৰাং কাঠ সৰবৰাহ ৰোধ কৰিবলৈ বহুকেইটা অভিযান চলাইছিল। এই অভিযানত বন সুৰক্ষা বাহিনীয়ে বিভিন্ন অস্ত্ৰ-শস্ত্ৰ, যান-বাহনৰ লগতে ৬ টা পাম্প মেচিন, ২৪ টা অবৈধ কাঠফলা মিল আৰু ২২৬ দশমিক ২-৮-৯ ঘনমিটাৰ কাঠ জব্দ কৰে। লগতে বিভাগটোৱে অভিযান চলাই ২৬ দশমিক ৮-২ ঘনমিটাৰ মূল্যবান কাঠো জব্দ কৰে। ২০২৫ বিত্তীয় বৰ্ষটোত বন বিভাগে জিলাখনত ১৩ কোটি ৮৭ লাখ ১২ হাজাৰ ৯৫২ টকা ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হয়। লগতে জিলা বন বিভাগে ১০৪০ বিঘা বনভূমি অবৈধ দখলকাৰীৰ পৰা মুক্ত কৰিবলৈ সক্ষম হয়। তদুপৰি, বিভাগটোৱে জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠান, বন উৎসৱত কেইবা হাজাৰ গছপুলি বিতৰণ কৰা কাৰ্য্যসূচীও হাতত লৈছিল।

০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম ক্ষেত্ৰত পৰ্যটন বিভাগৰ উদ্যোগত আৰু চৰাইদেউবাসীৰ সহযোগত আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে চৰাইদেউ মহোৎসৱ অনুষ্ঠিত হৈছে। পুৱাৰ ভাগত জিলা আয়ুক্ত ডাঃ নেহা যাদৱে মহোৎসৱৰ মুখ্য তোৰণ উদ্বোধন কৰে। উদযাপন সমিতিৰ সভাপতি তথা সোণাৰী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে পতাকা উত্তোলন কৰাৰ পাছত স্বৰ্গদেউসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত চৰাইদেউ মহোৎসৱৰ এইবাৰ এখন বৃহৎ আকাৰৰ কেনভাছে আকৰ্ষণীয় কৰি তুলিছে। কেনভাছখনত চীনৰ য়ুন্নান প্ৰদেশৰ মাউলুঙৰ পৰা সুদূৰ পাটকাই পৰ্বত অতিক্ৰমী চাউলুং চ্যুকাফাৰ অসম আগমণৰ ছবি শিল্পীৰ তুলিকাত প্ৰাণ পাই উঠিছে।

০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত নিশা ৯ বাজি ১৫ মিনিটত শ্ৰীভূমি জিলা কৃষক পঞ্জীয়ন সন্দৰ্ভত জিলাখনৰ জিলা কৃষি বিষয়া ছফিকুল ইছলামৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ শ্ৰীভূমি জিলাৰ সংবাদদাতা জাকাৰিয়া ৰহমানে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাতত কাইলৈ নিশা ৮ বাজি ২ মিনিটত ‘মহিলা সৱলীকৰণৰ অৰ্থে গ্ৰহণ কৰা ৰাজ্য চৰকাৰৰ আঁচনিসমূহত আলোকপাত’ শীৰ্ষক এটি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ’ব। অনুষ্ঠানত ভাগ ল’ব ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী পাৰবিন হুছেইন।

০০০০০

অসমীয়া গদ্য সাহিত্যৰ জনক, সমাজ সংস্কাৰক বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যৰ ৩৮৮ সংখ্যক তিৰোভাৱ তিথি মহোৎসৱ ব্যাসকুছিত আজিৰে পৰা ৭ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। আজি সন্ধিয়া বন্তি প্ৰজলন, সন্ধিয়াৰ প্ৰসংগ আৰু বাসুদেৱ বিগ্ৰহ প্ৰদক্ষিণ কাৰ্যসূচীৰে এই মহোৎসৱৰ আৰম্ভণি কৰা হয়। কাইলৈ সভা মহোৎসৱৰ মুখ্য দিন। কাইলৈ প্ৰসংগ পৰিবেশন, ভাগৱত শোভাযাত্ৰা, সোৱৰণি সভা আদি অনুষ্ঠিত হ’ব। একেদৰে এই মহোৎসৱত ভট্টদেৱ বিষয়ক আলোচনা সভা, বিভিন্ন প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰাৰ লগতে থলুৱা কৃষ্টি সংস্কৃতিও পৰিবেশন কৰা হ’ব। ভট্টদেৱৰ পূণ্যতিথিত ৰাজ্যবাসীয়ে গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। শিক্ষা আৰু আধ্যাত্মিক চিন্তা-চেতনাৰে বৃহত্তৰ অসমীয়া সমাজক একতাৰ জৰীৰে বান্ধিবলৈ প্ৰয়াস কৰা ভট্টদেৱৰ অমূল্য সৃষ্টিৰাজিয়ে অসমক চহকী কৰি থৈ গৈছে। কথা-গীতা, কথা-ভাগৱত, কথা-ৰত্নাৱলী, শৰণ মালিকা, গুৰু বংশাৱলী আদি গ্ৰন্থ ৰচনাৰে তেওঁ অসমীয়া গদ্য সাহিত্যৰ ভেটি সুদৃঢ় কৰি গৈছে।

০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ চতুৰ্থ সংস্কৰণ আজি আৰম্ভ হ’ব। উদ্বোধনী অনুষ্ঠানৰ পাছত নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল ষ্টেডিয়ামত হ’বলগীয়া এইবাৰৰ প্ৰথমখন খেলত ৰয়েলছ ছেলেঞ্জাৰ্ছ বাংগালুৰু, যোৱাবাৰৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ’ব। উদ্বোধনী অনুষ্ঠানত য়ো য়ো হানি ছিং, জেকলিন ফাৰ্নানডেজ আৰু হৰনাজ সন্ধুকে ধৰি কেইবাগৰাকীও তাৰকাই অনুষ্ঠান পৰিৱেশন কৰিব।

এইবাৰৰ সংস্কৰণৰ খেলসমূহ নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল ষ্টেডিয়াম আৰু বডোডৰাৰ বি চি এ ষ্টেডিয়ামত অনুষ্ঠিত হ’ব। নৱী মুম্বাইৰ খেলসমূহ সমাপ্ত হোৱাৰ পাছত বাকী ১১ খন খেল বডোডৰাত খেলোৱা হ’ব।

০০০০০

সমাপ্ত